জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নংঃ ৮১৭/২০২০**

# সদ্যপ্ৰয়াত বিশিষ্ট ক্ৰীড়া সংগঠক ক্ষীৰেশ্বৰ গগৈৰ বাসগৃহলৈ গৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সদ্যপ্ৰয়াত বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজকৰ্মী ক্ষীৰেশ্বৰ গগৈৰ ডিব্ৰুগড় চহৰৰ মিলন নগৰস্থিত বাসগৃহলৈ গৈ তেখেতৰ পৰিয়ালৰ সৈতে মত-বিনিময় কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ এগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠক ক্ষীৰেশ্বৰ গগৈৰ মৃত্যু আমাৰ সমাজ জীৱন তথা ক্ৰীড়া জগতৰ বাবে অপূৰণীয় ক্ষতি। প্ৰতিষ্ঠাকালৰে পৰা মিলনজ্যোতি সংঘৰ সৈতে জড়িত থাকি ৰাজ্যৰ ক্ৰীড়া জগতখনক শক্তিশালী কৰাৰ দিশত তেখেতে যথেষ্ট ত্যাগ স্বীকাৰ কৰি গৈছে। তেখেতৰ বৰঙণি অসমৰ মানুহে কেতিয়াও পাহৰিব নোৱাৰে। প্ৰয়াত গগৈ ক্ৰীড়া জগতত সদায়ে স্মৰণীয় হৈ থাকিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ক্ষীৰেশ্বৰ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

**সুঃমিঃকঃ**
**৮/১২/২০২০**